# অসম আদিত্য

াওণ, ১৯৪৮ শক ■ মঙলবাৰ, ৪ আগষ্ট, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, August 4, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

ৱাল, সম্পাদক
সন্থাৰ সভাপতি
ানোৱাল, সদৌ
বড়া, সম্পাদক
তৰ হৈ পুষ্পধৰ
জৰিকা, হৰেন
াল, ভাইজান

শৈক্ষিক সামগ্ৰী, বাচন-বৰ্তন, শাক-পাচলি, মহ খেদোৱা ধূপ আদি প্ৰদান কৰে। সংগঠনকেইটাৰ হৈ মিলন সোনোৱাল, দীপক শইকীয়া আদি নেতাই বানপীড়িতসকলৰ দুখৰ সমভাগী হৈ ৰাইজক এযাৰি মাত লগাবলৈ অহাৰ কথা উল্লেখ কৰাৰ লগতে অনাগত দিনত যাতে এনে ধৰণৰ মানৱসৃষ্ট বানপানী সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ উপৰিও উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ বাবে চৰকাৰক দাবী জনায়।

## কালৈ বিশেষ সন্মান

## াধিক বঁটা প্ৰদান

ক বিশেষ বঁটা প্ৰদান কৰা
গড়ৰ বিহু লোকসংস্কৃতিৰ
বৰবিহুৱা, সাংস্কৃতিককৰ্মী
ৰা হয় সংস্কৃতি-সাধক বঁটা।
াদ ক্ষেত্ৰখনলৈ আগবঢ়োৱা
্যষ্ঠ সাংবাদিক মুক্তামণি
ৰ্ধনা জনোৱা হয়। অনুষ্ঠানত
কা আৰু উচ্চতৰ মাধ্যমিক
হোৱা কৃতীমান ছাত্ৰ-
ন্দন জনোৱা হয়। অনুষ্ঠানৰ
ুষ্ঠিত হোৱা সৃষ্টিমূলক নৃত্য,
মাত আদি বিভিন্ন
বঁটা-বিতৰণী অনুষ্ঠানটিও
ৰ্যাদয় লোককৃষ্টি অধ্যয়ন
সাংস্কৃতিক কৰ্মী পৰশমণি
অনুষ্ঠানত সমাজৰ বিভিন্ন

ক্ষেত্ৰৰ লগত জৰিত থকা কেইবাগৰাকী বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে। মুকলি সভাত ৰেডিঅ' জ্ঞানমালিনীৰ অনুষ্ঠান কাৰ্যবাহী স্বপ্নালী ভূঞা, সাংস্কৃতিককৰ্মী ৰুদ্ৰেশ্বৰ গোহাঁই, ৰত্নেশ্বৰ গগৈ, জিতুল গোহাঁই, মহেন্দ্ৰ চাৰিঙীয়া ফুকন, নয়নমণি বৰুৱা, শান্তনু শইকীয়া , মাধুৰ্য বৰগোহাঁই , মিঠু দাস , উত্তৰা শেনছোৱা, ভাৰতী বৰুৱা দুৱৰা, কৃপাল ফুকন, নিৰন্ত দাস, লেখিকা মিনাক্ষী দাস বৰুৱা, সন্মিলিত অসমীয়া যুৱশক্তি অসমৰ উপদেষ্টা হেমচন্দ্ৰ মিলি, কেন্দ্ৰীয় সভাপতি ৰজনী বাইলুং ফুকন, সম্পাদক কৃষ্ণকান্ত ফুকন, দীপক দিহিঙীয়া, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বিপ্লৱ গোহাঁই, সম্পাদক ফণিল গগৈকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে সভাত অংশগ্ৰহণ কৰে। মুকলি সভাৰ অন্তত এক মনোজ্ঞ সাংস্কৃতিক অনুষ্ঠানও সম্পন্ন কৰা হয়।

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ২ লাখ টকা প্ৰদান কানৈ কলেজৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩ আগষ্ট ঃ** সমাজৰ দুৰ্যোগৰ সময়ত সামাজিক দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰি ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-এ অসমৰ সাম্প্ৰতিক প্ৰলয়ংকৰী বানপানীৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ পুঁজিৰ পৰা ২ লাখ টকা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়ায়। এই উপলক্ষে ২ আগষ্টৰ নিশা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি এই অনুদানৰ চে'ক্ আনুষ্ঠানিকভাৱে প্ৰদান কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰীগৰাকীয়ে আন্তৰিকতাৰে মহাবিদ্যালয়ৰ প্ৰতিনিধি দলৰ সৈতে মত-বিনিময় কৰাৰ লগতে মহাবিদ্যালয়খনৰ শৈক্ষিক, গৱেষণা আৰু সামগ্ৰিক উন্নয়ন সম্পৰ্কে বিস্তৃতভাৱে বুজ লয় সাক্ষাতৰ সময়ত মহাবিদ্যালয়খনৰ যোৱা এটা দশকৰ উন্নয়ন, প্ৰগতি আৰু অগ্ৰগতিক লৈ প্ৰকাশিত 'উত্তৰণ' শিৰোনামৰ বিশেষ গ্ৰন্থখন মুখ্যমন্ত্ৰীগৰাকীয়ে গভীৰ আগ্ৰহেৰে পৰ্যবেক্ষণ কৰি ইয়াক এক ব্যতিক্ৰমী আৰু মূল্যৱান প্ৰকাশ বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কানৈ মহাবিদ্যালয়ৰ ধাৰাবাহিক সফলতা, নতুন সৃষ্টি, উদ্ভাৱন আৰু প্ৰযুক্তিৰ শেহতীয়া উত্তৰণ তথা মহাবিদ্যালয়খনৰ সামগ্ৰিক উত্তৰণ সম্পৰ্কে অৱগত হৈ আহিছে বুলি অধ্যক্ষগৰাকীক অৱগত কৰে। মনকৰিবলগীয়া যে, মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত বিভিন্ন গ্ৰন্থ, চলিত বৰ্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত শ্ৰেষ্ঠ আলোচনীৰূপে পুৰস্কৃত হোৱা 'কানৈয়ান' আৰু শেহতীয়াকৈ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ দ্বাৰা প্ৰকাশিত 'কেনেকৈ নিঃশেষ হয় এটা জাতি', 'চেতনাহীন জাতিৰ ভৱিষ্যত', 'সপোন কেনেকৈ দিঠক হয়' তিনিখন নতুন গ্ৰন্থ মুখ্যমন্ত্ৰীগৰাকীক উপহাৰ হিচাপে প্ৰদান কৰা হয়। এই সাক্ষাতৰ সময়ত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক তথা অসমৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলী আৰু শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতিপ্ৰসাদ ফুকন উপস্থিত থাকে। উল্লেখ্য যে, মুখ্যমন্ত্ৰীগৰাকীক অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ইয়াৰ পূৰ্বে ফুলাম গামোচা আৰু চেলেং চাদৰেৰে উষ্ম সম্ভাষণ জনায়। আলোচনাৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কানৈ মহাবিদ্যালয়লৈ যোৱাৰ মোৰ খুব হেঁপাহ আছেবুলি মন্তব্য কৰি অতি সোনকালে মহাবিদ্যালয়খন স্বচক্ষে পৰিদৰ্শন কৰাৰ আন্তৰিক ইচ্ছা প্ৰকাশ কৰাৰ বিষয়ে অধ্যক্ষগৰাকীক অৱগত কৰে।



# মুখ্যমন্ত্ৰী ড° হিমন্ত বি

# এক ঐতিহাসি

■ ড° শশীৰ

২ আগষ্ট, ২০২৬ নিশা প্ৰায় ৮ বজা। এক ঐতিহাসিক তথা মধুৰ ক্ষণ। অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স'তে হোৱা এক চমু সাক্ষাৎকাৰ বোধহয় মানসপটত চিৰদিন সজীৱ হৈ

# তাধিকাৰীলৈ ৰাজ সা

## ক্ষতিৰ পুঁজি ঃ মুখ্

# হাজাৰৈ

